**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি তেলেংগানাত ৩ হেজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইবাটাও প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি গিয়ানী জেইল সিঙৰ ১০৯ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

৩। পেৰুৰ পাটাজ প্ৰদেশৰ পৰা অপহৃত ১৩ গৰাকী খনি ৰখীয়াৰ মৃতদেহ উদ্ধাৰ হৈছে।

৪। খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২৫ প্ৰতিযোগিতাত আজি ছেপাক টাক্ৰ’, কাবাডী আৰু পৰম্পৰাগত সমৰকলা প্ৰতিযোগিতাত গটকাকে ধৰি বিভিন্ন খেল অনুষ্ঠিত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত হ’বলগীয়া এখন খেলত ডেলহি কেপিটেল্ছ ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি তেলেংগানাৰ ছিৰপুৰ কাগজনগৰত ৩ হেজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইবাটাও প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী গাড্কাৰীয়ে ৰাজ্যখনৰ পথ, আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ বাবে কেন্দ্ৰৰ দায়বদ্ধতাৰ বিষয়ে দোহাৰে। ৰাজ্যখনৰ কৃষক সম্প্ৰদায়ৰ প্ৰতি সহায় আগবঢ়াব পৰাকৈ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰীয়া এলেকাত কেইবাহাজাৰ অমৃত সৰোবৰ খান্দিবৰ বাবে চৰকাৰ সাজু হৈ আছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। পৰৱৰ্তী ৩-৪ বছৰৰ ভিতৰত তেলেংগানাত ২ লাখ কোটি টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হ’ব বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ জৰিয়তে হায়দৰাবাদৰ পৰা কোঠাগুডেম আৰু মুলুগুৰ দৰে দূৰণিবতীয়া জিলাসমূহলৈ যাতায়াত ব্যৱস্থা অধিক সুচল হৈ উঠিব। ৰাজ্যখনৰ আন ভালেমান গুৰুত্বপূৰ্ণ পথ নিৰ্মাণ প্ৰকল্প অহা বছৰৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব বুলিও মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে অনুষ্ঠানত ভাষণ দি কয়লা আৰু খনি দপ্তৰৰ মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে তেলেংগানাৰ পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ হকে অহৰহ প্ৰচেষ্টা চলাই থকাৰ ফলত সম্প্ৰতি ৩৩ খন জিলাৰ ভিতৰত ৩২ খনৰেই ৰাজ্যখনৰ ৰাজধানী মহানগৰীৰ সৈতে ৰাষ্ট্ৰীয় ঘাইপথেৰে যোগাযোগ সম্ভৱপৰ হৈ উঠিছে। একেদৰে কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী বি সঞ্জয় কুমাৰেও তেলেংগানাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিগত দশকটোত ৰূপায়ণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে তথ্য সহকাৰে ব্যাখ্যা কৰে। আজি সন্ধিয়াৰ ভাগত

কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে হায়দৰাবাদত এহেজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ আন কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আম্বৰপেটত আয়োজিত এখন জনসমাৱেশতো ভাষণ দিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি গিয়ানী জেইল সিঙৰ ১০৯ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা তৰ্পণ কৰে। উল্লেখযোগ্য যে ১৯১৬ চনৰ আজিৰ দিনটোতেই পাঞ্জাবৰ ফৰিডকোট জিলাত জন্মগ্ৰহণ কৰা গিয়ানী জেইল সিঙে ১৯৮২ চনৰ পৰা ১৯৮৭ চনলৈকে দেশৰ সপ্তমগৰাকী ৰাষ্ট্ৰপতি হিচাপে সেৱা আগবঢ়াইছিল।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ত আজি ৱাকফ (সংশোধনী) আইন ২০২৫ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা আবেদনসমূহৰ এটা গোটৰ শুনানি গ্ৰহণ কৰা হ'ব। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কেভি বিশ্বনাথনৰে গঠিত বিচাৰপীঠে দুপৰীয়া ২ বজাত এই বিষয়ত শুনানি গ্ৰহণ কৰিব। যোৱা ১৭ এপ্ৰিলত অনুষ্ঠিত শুনানিত বিচাৰপীঠে স্পষ্ট কৰি দিছিল যে আজিৰ নিৰ্ধাৰিত শুনানি প্ৰাৰম্ভিক শুনানিৰ বাবেহে আৰু প্ৰয়োজন হ'লে অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰা হব।

যোৱা শুনানিত আদালতে এই সন্দৰ্ভত কিছুমান উদ্বেগ প্ৰকাশ কৰাৰ পিছত কেন্দ্ৰই সংশোধনী আইনখনৰ কিছুমান বিতৰ্কিত বিধান স্থগিত ৰখাৰ প্ৰতিশ্ৰুতি দিছিল । কেন্দ্ৰই আশ্বাস দিয়ে যে পঞ্জীয়নভুক্ত বা অধিসূচিত ৱাকফসমূহৰ ওপৰত কোনো প্ৰভাৱ নপৰে। ইয়াৰ উপৰিও কেন্দ্ৰীয় ৱাকফ পৰিষদ আৰু ৰাজ্যিক ৱাকফ ব'ৰ্ডত কোনো নিযুক্তি নিদিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে ।

০০০০০০০০০

পেৰুৰ পাটাজ প্ৰদেশৰ পৰা অপহৃত ১৩ গৰাকী খনি ৰখীয়াৰ মৃতদেহ উদ্ধাৰ হৈছে। আৰক্ষী সূত্ৰৰ উদ্ধৃতিৰে দেশখনৰ স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে চকুত বান্ধি থোৱা তথা হাত-ভৰি বান্ধি ৰখা অৱস্থাত উদ্ধাৰ হোৱা লোককেইজনক গুলীয়াই হত্যা কৰা হৈছে। লা পডেৰোছা নামৰ খনি প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা মতে অপৰাধ জগতৰ সৈতে জড়িত অবৈধ খননকাৰীৰ গোটে এই খণ্ডত সেৱা আগবঢ়োৱা ১৩ জন কৰ্মীক অপহৰণ কৰিছিল। দুৰ্ভগীয়া কৰ্মীকেইজনৰ পৰিয়ালৰ সূত্ৰই জানিবলৈ দিয়া মতে কৰ্মৰত অৱস্থাত থকা এই ৰখীয়াকেইজনৰ সৈতে যোৱা ২৭ এপ্ৰিলৰ পৰা তেওঁলোকৰ সংযোগ বিচ্ছিন্ন হৈছিল। তেওঁলোকৰ মুক্তিৰ বিনিময়ত অপহৰণকাৰী দলে প্ৰতিষ্ঠানটোৰ পৰা বৃহৎ অংকৰ মুক্তিপণ দাবী কৰিছিল বুলিও প্ৰকাশ পাইছে।

০০০০০০০০০

চীন দেশৰ গুইঝৌ অঞ্চলত কালি আকস্মিকভাৱে অহা প্ৰচণ্ড বতাহৰ ফলত পৰ্যটকৰ চাৰিখন নাও পানীত বুৰ যোৱাত ৯ গৰাকী লোকে প্ৰাণ হেৰুৱায়। সামাজিক মাধ্যমত প্ৰকাশ পোৱা মতে এই দুৰ্ঘটনাত নাওকেইখনত থকা মুঠ ৮৪ গৰাকী যাত্ৰী বুৰ গৈছিল যদিও ইয়াৰে ৭৪ গৰাকী লোকক উদ্ধাৰ কৰা হয়। দুৰ্ঘটনাৰ কৰলত পৰা এজন লোক এতিয়াও সন্ধানহীন হৈ আছে। এই ঘটনাৰ পাছত উদ্ধাৰ আৰু সাহায্য অভিযানত প্ৰায় ৫০০ গৰাকী লোকক জড়িত কৰোৱা হয়। দেশখনৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰসমূহৰ লগতে বিভিন্ন গুৰুত্বপূৰ্ণ

ৰাজহুৱা স্থানত দুৰ্ঘটনা ক্ৰমাৎ বৃদ্ধি পাবলৈ লোৱাৰ প্ৰতি লক্ষ্য ৰাখি চীন দেশৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে জনসাধাৰণৰ সুৰক্ষাৰ বাবে অধিক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষসমূহক নিৰ্দেশ দিছে।

০০০০০০০০০

জম্মু-কাশ্মীৰত নিয়ন্ত্ৰণ ৰেখাৰ কাষত যোৱা নিশা পাকিস্তানৰ সেনাৰ গুলীচালনাৰ প্ৰত্যুত্তৰত ভাৰতীয় সেনাইও ফলপ্ৰসূ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা সূত্ৰ সমূহে জনোৱা মতে, জম্মু-কাশ্মীৰৰ কুপৱাৰা, বাৰামুল্লা, পুঞ্চ, ৰাজৌৰী, মেন্ধাৰ, নৌশ্বেৰা, সুন্দৰবানি আৰু আখনূৰ অঞ্চলৰ বিপৰীতে নিয়ন্ত্ৰণ ৰেখাৰ সিপাৰে পাকিস্তান সেনাই অপ্ৰৰোচিত ক্ষুদ্ৰ অস্ত্ৰৰ গুলীচালনাৰ আশ্ৰয় লয়। ভাৰতীয় সৈন্যই ইয়াৰ পাছত তৎক্ষণাত সঁহাৰি জনায়। কোনো লোক হতাহতি হোৱাৰ খবৰ লাভ কৰা হোৱা নাই।

০০০০০০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে আজি গুজৰাট, অন্ধ্ৰ প্ৰদেশ আৰু ওড়িশাত ধাৰাসাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে । বতৰ বিভাগে কাইলৈলৈকে বিহাৰ, ওড়িশা, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, জম্মু-কাশ্মীৰ, উত্তৰাখণ্ড, অসম, মণিপুৰ আৰু পশ্চিম বংগত ধুমুহা, বজ্ৰপাত আৰু ধুমুহা বতাহৰ লগতে মধ্যমীয়া বৰষুণৰ সম্ভাৱনা প্ৰকাশ কৰিছে। সংস্থাটোৱে জনোৱা মতে, কেৰেলা আৰু মাহে অঞ্চলত গৰম আৰু আৰ্দ্ৰ বতৰৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। পূব ৰাজস্থানৰ কিছু অংশত আজি ধূলিৰ ধুমুহা আহিব পাৰে। বতৰ সংস্থাটোৰ মতে, আজি ছত্তীশগড়, পূব মধ্য প্ৰদেশ, গুজৰাট, ওড়িশা আৰু উত্তৰাখণ্ডত শিলাবৃষ্টি হোৱাৰ প্ৰবল সম্ভাৱনা আছে।

০০০০০০০০০

প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ নতুন দিল্লীস্থিত বাসভৱনত সাক্ষাৎ কৰে। ইতিমধ্যে তিনিওটা বাহিনীৰ মুৰব্বীকেইগৰাকীৰ সৈতে সুকীয়াকৈ আলোচনা কৰাৰ পাছত আজিৰ বৈঠকত প্ৰধানমন্ত্ৰীগৰাকীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত প্ৰতিৰক্ষা সচিবগৰাকীৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্কীয় বিভিন্ন বিষয় লৈ আলোচনা কৰে।

০০০০০০০০০

বিহাৰত অনুষ্ঠিত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২৫ৰ আজিৰ দ্বিতীয় দিনৰ প্ৰতিযোগিতাত ভিন ভিন ৰাজ্যৰ খেলুৱৈসকলে ছেপাক টাক্ৰ', কাবাডী আৰু পৰম্পৰাগত সমৰকলা প্ৰতিযোগিতাত গটকাকে ধৰি বিভিন্ন খেলত অংশগ্ৰহণ কৰিছে। ৰাজগড় ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত ল'ৰাৰ কাবাডী প্ৰতিযোগিতাৰ এখন উত্তেজনাপূৰ্ণ খেলত অন্ধ্ৰ প্ৰদেশে ছট্টিশড়ক পৰাভূত কৰে। কাবাডী প্ৰতিযোগিতাৰ ছোৱালীৰ শিতানত ৰাজস্থানে উল্লেখনীয় প্ৰদৰ্শনেৰে ছট্টিশগড়ৰ বিৰুদ্ধে ৪৩-৩৩ পইণ্টৰ ব্যৱধানত জয়লাভ কৰে।

প্ৰতিযোগিতাৰ কালিৰ উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে বাজেটত ক্ৰীড়াৰ বাবে নিৰ্ধাৰিত ধন ৰাশি বৃদ্ধি কৰিছে। অনুষ্ঠানত ভাষণ দি তেওঁ ভাৰতক ২০৩৬ চনৰ অলিম্পিক ক্ৰীড়াৰ বাবে শক্তিশালী দেশ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে। চৰকাৰে ক্ৰীড়াক শীৰ্ষ অগ্ৰাধিকাৰ দিয়াৰ লগতে আন্তঃগাঁথনি উন্নয়নতো গুৰুত্ব দিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ক্ৰীড়া প্ৰতিযোগিতাসমূহ এতিয়া গোটেই বছৰ জুৰি অনুষ্ঠিত হয় আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিত ক্ৰীড়াক অধ্যয়নৰ মূল বিষয় হিচাপেও স্বীকৃতি দিয়া হৈছে।

উল্লেখযোগ্য যে এইবেলি খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া প্ৰতিযোগিতাত ৮ হাজাৰ ৫০০গৰাকীতকৈও অধিক সংখ্যক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাসমূহ বিহাৰৰ পাটনা, ৰাজগীৰ, গঞা, ভৱলপুৰ আৰু বেগুচৰাইকে ধৰি ছখন ভিন ভিন চহৰত আৰু চাইক্লিং, শ্বুটিং আৰু এথলেটিক্স প্ৰতিযোগিতাসমূহ নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত ডেলহী কেপিটেলছ- ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭.৩০ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা ধৰ্মশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে লক্ষ্মৌ ছুপাৰ জায়েন্টছক ৩৭ ৰানত পৰাস্ত কৰে। ইপিনে, কালি ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক এক ৰানত পৰাস্ত কৰে।

০০০০